**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-02-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। বিত্ত মন্ত্রী নির্মলা সীতাৰমনে আজি সংসদত দাখিল কৰা ২০২৬-২৭ বৰ্ষৰ বাজেটত বিগত ১০ বছৰৰ ভিতৰত সৰ্বাধিক ধন মূলধনী ব্যয় হিচাপে ধাৰ্য কৰা হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটেক আত্মনিৰ্ভৰ ভাৰত আৰু মেক ইন ইণ্ডিয়া পদক্ষেপ ত্বৰাণ্বিত কৰাৰ দিশত  অভিলাষি পৰিকল্পনা হিচাপে আখ্যা দিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জলন্ধৰত সন্ত গুৰু ৰবিদাসৰ জন্মবাৰ্ষিকী উদযাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

৪। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খৰ্গেই এইবেলি বাজেটে দেশৰ বিভিন্ন ক্ষেত্ৰৰ প্ৰত্যাহ্বান সমাধানৰ পথ প্ৰদৰ্শন কৰাত বিফল হোৱা বুলি মত প্ৰকাশ কৰিছে।

*আৰু*

৫। ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটক বিভিন্ন পক্ষই প্ৰশংসা কৰিছে।

০০০০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি সংসদত ২০২৬-২৭ বৰ্ষৰ বাজেট দাখিল কৰে। বাজেট সন্দৰ্ভত বিত্ত মন্ত্ৰীগৰাকীয়ে কয় যে এইবেলি বাজেটত সৰ্বমুঠ ১২ দশমিক ২ লাখ কোটি টকা মূলধনী ব্যয় হিচাপে ধাৰ্য কৰা হৈছে। এই পৰিমাণ বিগত ১০ বছৰৰ ভিতৰত সৰ্বাধিক বুলি তেওঁ সদৰি কৰে। এইবেলি বাজেটত আন্তঃগাঁথনিৰ সংস্কাৰৰ জৰিয়তে সৰ্বাত্মক অৰ্থনৈতিক প্ৰগতি সাধন কৰাৰ প্ৰয়াস কৰা হৈছে। তেওঁ কয় যে চৰকাৰৰ লক্ষ্য হৈছে অভিলাষক প্ৰাপ্তিলৈ আৰু সম্ভাৱনাক বাস্তৱলৈ ৰূপান্তৰিত কৰা।

বাজেটত  ১০ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ প্ৰগতি পুজি মুকলি কৰা হ'ব বুলি ঘোষণা কৰা হৈছে। আত্মনিৰ্ভৰ ভাৰত পুঁজিত ২ হাজাৰ কোটি টকা অতিৰিক্তভাৱে যোগ দিয়া হ'ব। বিত্তমন্ত্ৰীগৰাকীয়ে উচ্চ শিক্ষা খণ্ডৰ প্ৰগতি ত্বৰান্বিত কৰাৰ উদ্দেশ্যে নতুন শিক্ষানুষ্ঠান, বিশ্ববিদ্যালয়, ছাত্ৰী নিৱাস আদি স্থাপনৰ বাবে প্ৰস্তাৱ উত্থাপন কৰে। বিত্তমন্ত্ৰালয়ে লগতে অসম, অৰুণাচল প্ৰদেশ, চিকিম, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত বৌদ্ধধৰ্মৰ সৈতে জড়িত তীৰ্থস্থানসমূহৰ বিকাশৰ আঁচনিত অনুমোদন জনাইছে।

বাজেটত উত্তৰ পূৰ্বাঞ্চলত এখন নতুন ৰাষ্ট্ৰীয় ডিজাইন প্ৰতিষ্ঠান স্থাপনৰ প্ৰস্তাৱ দিয়া হৈছে। উত্তৰ পূৰ্বৰ ৰাজ্যসমূহত যাতায়ত অধিক সুচল কৰাৰ বাবে ৪ হাজাৰ ই-বাছৰ প্ৰস্তাৱ আজিৰ বাজেটত উত্থাপন কৰা হৈছে। এই বাছসমূহ অৰুণাচল প্ৰদেশ, চিকিম, অসম, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ক্ষেত্ৰত বিশেষভাৱে কাৰ্যকৰী হ'ব।

চৰকাৰে ৰাছি আৰু তেজপুৰত ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য বিশ্ববিদ্যালয় উন্নীত কৰিব। বাজেটত উল্লেখ থকা অনুসৰি চলিত বছৰৰ পহিলা এপ্ৰিলৰ পৰা নতুন আয়কৰ আইন বলবৎ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটে আত্মনিৰ্ভৰ ভাৰত আৰু মেক ইন ইণ্ডিয়া পদক্ষেপ ত্বৰান্বিত কৰাৰ দিশত অভিলাষি পৰিকল্পনা যুগুত কৰা বুলি প্ৰকাশ কৰিছে। এটা ভিডিঅ' বাৰ্তাত মোদীয়ে কয় যে আজি দাখিল কৰা এই বাজেটে দেশৰ সংস্কাৰৰ প্ৰয়াস দ্ৰুতকৰি তুলিব। এই বাজেটে অভিলাষসমূহক বাস্তৱায়িত কৰাৰ লগতে দেশৰ ভৱিষ্যতৰ ভেটি সবল কৰি তুলিব বুলি তেওঁ মতপ্ৰকাশ কৰে। এয়া এখন অনন্য বাজেট বুলি উল্লেখ কৰি তেওঁ কয় যে বাজেটখনৰ জৰিয়তে উচ্চ মূলধনী ব্যয় আৰু দ্ৰুতপ্ৰগতি সুনিশ্চিত কৰাৰ সমান্তৰালকৈ মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰাৰ লগতে বিত্তীয় ঘাটি হ্ৰাস কৰাৰ প্ৰয়াস চলোৱা হৈছে। বায়'ফাৰ্মা শক্তি মিছন, ছেমি কণ্ডাক্টৰ মিছন ২ পইণ্ট জিৰোৰ দৰে আঁচনিসমূহে দেশৰ প্ৰগতি ত্বৰান্বিত কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। বস্ত্ৰ উদ্যোগত প্ৰস্তাৱিত নতুন আঁচনিসমূহ তথা অতি ক্ষুদ্ৰ, লঘু আৰু মধ্যমীয়া উদ্যোগসমূহৰ বাবে প্ৰস্তাৱিত আঁচনিসমূহে দেশৰ ভৱিষ্যতৰ প্ৰয়োজন পূৰণ কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। দেশৰ মহিলাসকলৰ সবল মনোভাৱ এই বাজেটৰ জৰিয়তে প্ৰতিফলিত হোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে চৰকাৰৰ আঁচনিসমূহে দেশৰ যুৱচামক প্ৰতিভা বিকাশৰ সুযোগ দিব।

oooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী জলন্ধৰৰ দেৰা সচখণ্ড বল্লানত সন্ত গুৰু ৰবিদাসৰ ৬৪৯ সংখ্যক জন্ম বাৰ্ষিকী উপলক্ষে আয়োজিত পৰকাশ পৰ্বত অংশগ্ৰহণ কৰি গুৰুগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীগৰাকীক পদ্মশ্ৰী সন্মান প্ৰাপক শ্ৰীসন্ত নিৰঞ্জন দাস আৰু তেওঁ শিষ্যসকলে আদৰণি জনায়। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ উপলক্ষে ৰাজ্যখনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। আমাৰ জলন্ধৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি দেৰাত উপস্থিত হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে আদমপুৰৰ বিমানবন্দৰৰ নতুন নাম শ্ৰী গুৰু ৰবিদাস মহাৰাজী বিমানবন্দৰ উন্মোচন কৰে। তেওঁ লুধিয়ানাৰ হালৱাৰা বিমানবন্দৰৰ টাৰ্মিনেল ভৱনো ভাৰ্চুৱেলভাৱে উদ্বোধন কৰে। এই বিমানবন্দৰৰ জৰিয়তে ৰাজ্যখনৰ বাবে বিশেষকৈ লুধিয়ানাৰ উদ্যোগ খণ্ডৰ বাবে এক নতুন দিগন্তৰ সূচনা কৰিব বুলি আশা কৰা হৈছে। ডেৰাত সমবেত লোকসকলক সম্বোধন কৰি তেওঁ কয় য়ে ২০৪৭ চনত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হবলৈ দেশে দ্ৰুতগতিত অগ্ৰসৰ হৈছে। আজি দাখিল কৰা বাজেট সন্দৰ্ভত শ্ৰীমোদীয়ে কয় য়ে পঞ্জাবৰ উদ্যোগখণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০

কংগ্ৰেছে ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটক সমালোচনা কৰিছে। এই বছৰৰ বাজেট সন্দৰ্ভত ছ'চিয়েল মিডিয়াত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়ে কয় যে এই বাজেটে ভাৰতৰ অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰৰ প্ৰত্যাহ্বানসমূহৰ একক সমাধানৰ পথ প্ৰদৰ্শন কৰাত বিফল হৈছে। যুৱক-যুৱতীসকলৰ বাবে নিয়োগৰ সামৰ্থ ত্বৰান্বিত কৰা তথা কৰ্মক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণ বৃদ্ধিৰ বাবে বাজেটত কোনো গুৰুত্বপূৰ্ণ পৰিকল্পনা নাই বুলি কংগ্ৰেছৰ সভাপতিগৰাকীয়ে অভিযোগ কৰে। তেওঁ লগতে কয় যে বাজেটত দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকসকলকো কোনো ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হোৱা নাই। লোকসভাত বিৰোধী দলৰ নেতা তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে এই বাজেটৰ সমালোচনা কৰি কয় যে নিবনুৱা সমস্যা, উৎপাদন হ্ৰাস তথা বিনিয়োগকাৰীসকলে মূলধন হ্ৰাস কৰা তথা কৃষকসকলৰ সমস্যাকে ধৰি বিভিন্ন বিষয় বাজেটত উপেক্ষা কৰা হৈছে।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই বাজেটে নাগৰিকসকলৰ অভিলাষ পূৰণ কৰিব বুলি আশা প্ৰকাশ কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথাবতৰাত শ্ৰীসিঙে কয় যে এই বাজেটৰ জৰিয়তে আত্মনিৰ্ভৰ ভাৰতৰ পথ সুগম হৈ উঠিব।

০০০০০

বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোনোৱালে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটত জাহাজ নিৰ্মাণৰ বাবে চৰকাৰে ১০ হেজাৰ কোটি টকা বিনিয়োগ কৰা বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমত শ্ৰীসোণোৱালে কয় যে এই বিনিয়োগৰ জৰিয়তে ঘৰুৱা অৰ্থনীতি শক্তিশালী হোৱাৰ লগতে বিদেশী ৰাষ্ট্ৰসমূহৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস পাব।

০০০০০

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেলে ২০২৬-২৭ বৰ্ষৰ বাজেটক ২০৪৭ চনৰ বিকশিত ভাৰতৰ ভেটি আখ্যা দিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথাবতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে বাজেটত নিৰ্মাণ খণ্ডক অগ্ৰাধিকাৰ দিয়া হৈছে। ইয়াৰ জৰিয়তে নতুন উদ্যোগ স্থাপন কৰাত সুবিধা হোৱাৰ উপৰি এই দিশত নতুন বিনিয়োগ সমূহ আকৰ্ষিত হ'ব। এই বেলি বাজেটে বস্ত্ৰ খণ্ড, ছেমিকণ্ডাক্টৰ তথা ক্ষুদ্ৰ, লঘু আৰু মধ্যমীয়া উদ্যোগ খণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰা বুলিও তেওঁ মতপ্ৰকাশ কৰে। তেওঁ কয় যে এই বাজেটত যুৱ চামৰ দক্ষতা বিকাশৰ লগতে দেশৰ দ্বিতীয় আৰু তৃতীয় স্তৰৰ চহৰসমূহৰ বিকাশ, দ্ৰুতগতিসম্পন্ন ৰেল কৰিডৰ, আন্তঃৰাজ্যিক জলপথৰ সুবিধা ত্বৰান্বিত কৰাকে ধৰি বহু ইতিবাচক পদক্ষেপ গ্ৰহণ কৰা হৈছে।

00000

কেন্দ্ৰীয় মন্ত্ৰী নিতীন গাডকাৰীয়ে এই বেলি বাজেটত মহাত্মা গান্ধী গ্ৰাম স্বৰাজ যোজনাৰ জৰিয়তে হস্তশিল্প, হস্ত তাঁত তথা খাদীৰ সম্বৰ্ধন কৰাৰ ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি মত প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এলানি বাৰ্তাত শ্ৰীগাডকাৰীয়ে কয় যে এই আঁচনিয়ে সংশ্লিষ্ট সামগ্ৰীসমূহক বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ লগতে শিপিনীসকলে উন্নত প্ৰশিক্ষণ লাভ কৰাৰ উপৰি গ্ৰাম্য অৰ্থনীতি শক্তিশালী হ'ব।

00000

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মণ্ডাভিয়াই বাজেটক প্ৰশংসা কৰি কয় যে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেটে যুৱচামক উপকৃত কৰিব। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথাবতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে খেলো ইণ্ডিয়া পদক্ষেপৰ জৰিয়তে দেশৰ ক্ৰীড়া খণ্ডত দীৰ্ঘম্যাদী ইতিবাচক পৰিবৰ্তন আহিব।

00000

২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেটত সকলো মন্ত্ৰ্যালয়ৰ ভিতৰত প্ৰতিৰক্ষা সেৱাৰ বাবে অধিক ধন মঞ্জুৰ কৰা হৈছে। প্ৰতিৰক্ষা খণ্ডৰ বাবে ৭ দশমিক ৮-৫ লাখ কোটি টকা মঞ্জুৰ কৰা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ মুঠ ব্যয়ৰ ১৪ দশমিক ৬-৭ শতাংশ প্ৰতিৰক্ষা বাজেটৰ বাবে আৱণ্টন দিয়া হৈছে।

0000

২০২৬-২৭ বৰ্ষৰ বাজেটত স্বাস্থ্যখণ্ডৰ বাবে ১ দশমিক ৬ লাখ কোটি টকা মঞ্জুৰ কৰা হৈছে। ২০২৫-২৬ বিত্তীয় বৰ্ষত কৈ এইবেলি ১০ শতাংশ অধিক ধন মঞ্জুৰ কৰা হৈছে। এইবেলি স্বাস্থ্য, গৱেষণা বিভাগৰ বাবে ৪ দশমিক ৮ হাজাৰ কোটি ধন আৱণ্টন কৰা হৈছে। মুখ্য ধ্বজাবাহী কাৰ্যসূচীসমূহৰ ভিতৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ বাবে ৯ হাজাৰ ৫০০ কোটি, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বাবে প্ৰায় ৩৯ হাজাৰ কোটি আৰু প্ৰধানমন্ত্ৰী আয়ুস্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযানৰ বাবে ৪ হাজাৰ কোটিতকৈও অধিক ধনৰ আৱণ্টন কৰা হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে যে এইবেলি বাজেটে সকলো নাগৰিকৰ বাবে মানসম্পন্ন আৰু সুলভ স্বাস্থ্য সেৱা সুনিশ্চিত কৰি স্বাস্থ্য সেৱাৰ ব্যৱস্থা শেহতীয়া সুবিধা সম্পন্ন কৰি তোলাৰ লগতে শক্তিশালী আৰু সৰ্বাত্মক কৰাৰ বাবে চৰকাৰৰ সংকল্প প্ৰতিফলিত কৰিছে।

00000

২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটত সাৰ বিভাগৰ বাবে ১ দশমিক ৭-১ লাখ কোটি টকা মঞ্জুৰ কৰা হৈছে। ৰাসায়নিক আৰু সাৰ মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি ফছফেটিক আৰু পটেছিক সাৰসমূহৰ বাবে বিশেষ ৰাজসাহায্য আঁচনিৰ অধীনত এই বাজেটে হিতাধীকাৰীসকলক বিশেষভাৱে সমৰ্থন আগবঢ়াইছে। ইয়াৰ জৰিয়তে কৃষিখণ্ডৰ উৎপাদন ত্বৰাণ্বিত হ'ব বুলি আশা কৰা হৈছে।

00000

পশ্চিমবংগত উদ্যোগ খণ্ডৰ নেতৃবৰ্গ তথা ব্যৱসায়িক গোটসমূহে ২০২৬-২৭ বৰ্ষৰ বাজেটক বিকাশমুখী তথা সমতা ৰক্ষা কৰা বাজেট বুলি উল্লেখ কৰি কয় যে হ্ৰস্বম্যাদী বজাৰ কৌশলতকৈ এই বাজেটত দীৰ্ঘম্যাদী সংস্কাৰক গুৰুত্ব আৰোপ কৰা হৈছে। ভাৰত চেম্বাৰ্ছ অব কমাৰ্ছৰ অধ্যক্ষ এন জি খৈতানে কয় যে এই বাজেট আন্তঃগাঁথনি চালিত বিকাশৰ বাবে বিশেষ পৰিকল্পনাসহ এখন উন্নয়নমুখী

বাজেট। আই এম চি চেম্বাৰ্ছ অব কমাৰ্ছৰ উপ-সঞ্চালক প্ৰধান সঞ্জয় মেহতাই বাজেটখনক ইতিবাচক তথা ভৱিষ্যমুখী আখ্যা দি কয় যে এই বাজেটত শেহতীয়া প্ৰযুক্তি তথা পৰম্পৰাগত খণ্ড উভয় ক্ষেত্ৰতে গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নিতীন নবিনে এই বাজেটক প্ৰশংসা কৰি কয় যে দায়িত্বসহকাৰে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেট প্ৰস্তু ত কৰা হৈছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথাবতৰাত তেওঁ কয় যে এই বাজেটখন যুৱচামৰ বাবে ইতিবাচক হিচাপে পৰিগণিত হ'ব। তদুপৰি বাজেটত আন্তঃগাঁথনি উন্নয়ন, নিৰ্মাণ খণ্ডৰ বিকাশত গুৰুত্ব দিয়াৰ উপৰি নিয়োগৰ নতুন সুবিধা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। ২০৪৭ চনত বিকিশত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে চৰকাৰে গ্ৰহণ কৰা সংকল্পক এই বাজেটৰ জৰিয়তে প্ৰতিফলিত হোৱা বুলি প্ৰকাশ কৰে।

০০০০০

**প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি থাই পোচাম উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰে। ছ'চিয়েল মিডিয়াৰ জৰিয়তে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে দেশৰ নাগৰিকসকলৰ ওপৰত ভগৱান মুৰুগানৰ আশীৰ্বাদ সদায় থাকিব বুলি কামনা কৰে। শ্ৰী মোদীয়ে সকলোৰে সুস্বাস্থ্য, সফলতা আৰু সমৃদ্ধিৰ বাবেও প্ৰাৰ্থনা কৰে।**

০০০০

ঃঃ সমাপ্ত ঃঃ